**REGIONAL NEWS UNIT**
AKASHVANI GUWAHATI
0000000000

**Date : 08-08-2026**
**Time : 3:00 PM**

**ASSAMESE BULLETIN**

শেহতীয়া বানত সৰ্বাধিক ক্ষতিগ্ৰস্ত শিৱসাগৰ, চৰাইদেউ, যোৰহাট আৰু গোলাঘাট জিলাত কাইলৈৰ পৰা হ'বলগীয়া ক্ষয়-ক্ষতিৰ জৰীপৰ প্ৰস্তুতিৰ সময়তেই গোলাঘাট জিলাৰ মৰঙি অঞ্চল শেহতীয়াকৈ পুনৰ বানৰ কবলত পৰিছে। আকাশবাণীৰ গোলাঘাটৰ সংবাদদাতাই জনোৱা মতে, জিলাখনৰ খুমতাই সমষ্টিৰ অন্তৰ্গত মৰঙি অঞ্চলৰ কেন্দুগুৰি আৰু কৰদৈগুৰিকে ধৰি কেইবাখনো গাঁৱত ধনশিৰি নৈৰ বাঢ়নি পানীয়ে ত্ৰাসৰ সৃষ্টি কৰিছে। গাওঁসমূহৰ বিস্তৃৰ্ণ কৃষিভূমি পানীত বুৰ যোৱাৰ লগতে ন বিল মথাউৰিৰ ওপৰেৰেও পানী বাগৰিবলৈ লৈছে। ইফালে নুমলিগড়ৰ পশ্চিম ধোদাঙত ধনশিৰি নদীৰ প্ৰচণ্ড সোঁতত এটা কৃষি বান্ধ চিগি যোৱাৰ ফলত পৰিস্থিতি অধিক জটিল হৈ পৰিছে। পশ্চিম ধোদাঙৰ আৱাসী এলেকাও প্লাৱিত হোৱাৰ আশংকাই দেখা দিয়া সময়তে অঞ্চলটোত ধনশিৰি নৈয়ে ভয়ংকৰ গৰাখহনীয়াৰ সৃষ্টি কৰিছে। এনে খহনীয়াৰ কবলত পৰি কুৰিটাতকৈও অধিক কৃষিজীৱি পৰিয়াল স্থানান্তৰিত হবলগীয়া হৈছে। বান আৰু গৰাখহনীয়াৰ ফলত কৃষি ভূমি নষ্ট হোৱাৰ লগতে নৈপৰীয়া কৃষকৰ জীৱন আৰু জীৱিকাৰ প্ৰতিও গুৰুতৰ সংকটে দখো দিছে।

আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে শেহতীয়া বানত সৰ্বাধিক ক্ষতিগ্ৰস্ত উজনি অসমৰ ৪ খন জিলাত কাইলৈৰ পৰা ক্ষয়-ক্ষতিৰ জৰীপ কৰা হ'ব। প্ৰথম পৰ্যায়ৰ জৰীপ অহা ৩০ আগষ্টলৈ চলিব। এই জৰীপ প্ৰক্ৰিয়াক অধিক সু-সংগঠিত আৰু নিখুঁট কৰাৰ বাবে ইতিমধ্যে চাৰিওখন জিলাৰ আয়ুক্ত, সমজিলা আয়ুক্তৰ লগতে চক্ৰ বিষয়াসকলক প্ৰয়োজনীয় প্ৰশিক্ষণ প্ৰদান কৰা হৈছে।

ইপিনে, ৰাজ্যখনৰ বান পৰিস্থিতি সামান্য উন্নত হৈছে যদিও ১৩ খন জিলাৰ বিস্তীৰ্ণ অঞ্চল এতিয়াও বানৰ কবলত আছে। বানত ৪৬৪ খন গাঁৱৰ ১ লাখ ৫৫ হাজাৰ লোক প্ৰভাৱিত হোৱাৰ লগতে ১০ হাজাৰ ৭৪৮ দশমিক ৬ -৪ হেক্টৰ কৃষিভূমি ক্ষতিগ্ৰস্ত হৈছে। চৰাইদেউ জিলাত কালি এটা মৃতদেহ উদ্ধাৰৰ পাছত সম্প্ৰতি বানত মৃত্যু হোৱা লোকৰ সংখ্যা ৯৮ হৈছেগৈ।

০০০০

বন মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই আজি কাজিৰঙাত বন বিভাগৰ কাৰ্যনিৰ্বাহ পদ্ধতিৰ আধুনিকীকৰণ আৰু আন্তঃগাথনি উন্নয়নৰ লক্ষ্যৰে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা একাধিক গুৰুত্বপূৰ্ণ প্ৰকল্পৰ কাম-কাজ পৰিদৰ্শন কৰে। মন্ত্ৰীগৰাকীয়ে ৰাষ্ট্ৰীয় উদ্যানখনত কৰ্মৰত বনৰক্ষী সকলৰ বাবে হ'বলগীয়া ৩২ টা ফ্লেটযুক্ত আৱাস গৃহৰ নিৰ্মাণকাৰ্য পৰিদৰ্শন কৰাৰ লগতে পূৱ অসম বন্যপ্ৰাণী সংমণ্ডলৰ ক্ষেত্ৰ সঞ্চালকৰ কাৰ্যালয়ো পৰিদৰ্শন কৰে। বোকাখাত সমষ্টিৰ বিধায়ক তথা মন্ত্ৰী অতুল বৰা আৰু কেইবাগৰাকীও উচ্চ পদস্থ বিষয়াৰ উপস্থিতিত বনমন্ত্ৰীগৰাকীয়ে কাজিৰঙাৰ কঁহৰা বৰজুৰিত অনুষ্ঠিত বিশেষ গঁড় সুৰক্ষা বাহিনীৰ প্ৰতিষ্ঠা দিৱসতো অংশগ্ৰহণ কৰে।

০০০০০০

ৰাজ্য চৰকাৰৰ গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা আদি বিভাগৰ মন্ত্ৰী কৌশিক ৰায়ে আজি ডিব্ৰুগড় জিলাৰ চাউলখোৱাত নিৰ্মীয়মান নলাৰ কাম-কাজ পৰিদৰ্শন কৰে। ডিব্ৰুগড়ৰ বাণীপুৰৰ পৰা চেচা নৈলৈ নিৰ্মাণ কৰি থকা এই নলা সম্পূৰ্ণ হ'লে ডিব্ৰুগড় নগৰৰ কৃত্ৰিম বানৰ সমস্যা বহু পৰিমাণে লাঘৱ হ'ব বুলি আশা কৰা হৈছে। মন্ত্ৰীগৰাকীয়ে পৰিদৰ্শনৰ সময়ত স্থানীয় বিধায়ক প্ৰশান্ত ফুকন, মেয়ৰ ডাঃ শৈকত পাত্ৰ, ডিব্ৰুগড় পৌৰ নিগমৰ আয়ুক্ত শিৱানী জেনেগালৰ লগতে সংশ্লিষ্ট বিভাগৰ বহুকেইগৰাকী বিষয়া উপস্থিত থাকে বুলি আকাশবাণী ডিব্ৰুগড়ৰ সংবাদদাতাই জানিবলৈ দিছে।

oooooo

দুলীয়াজান সমষ্টিৰ বিধায়ক তথা ৰাজ্য চৰকাৰৰ শ্ৰম কল্যান, ৰূপান্তৰ আৰু উন্নয়ন, চাহ জনগোষ্ঠী আৰু আদিবাসী কল্যান বিভাগৰ মন্ত্ৰী ৰামেশ্বৰ তেলীয়ে আজি আন এগৰাকী মন্ত্ৰী কৌশিক ৰায়ৰ সৈতে দুলীয়াজানৰ খেৰেণিয়া গাওঁ পঞ্চায়ত সমবায় সমিতিৰ গুদামগৃহ পৰিদৰ্শন কৰে। মন্ত্ৰী দুগৰাকীয়ে এই গুদামগৃহত মজুত থকা অত্যাৱশ্যকীয় খাদ্য সামগ্ৰীৰ সংৰক্ষণ ব্যৱস্থাৰ বিষয়ে বুজ লয়। তেওঁলোকে লগতে টেঙাখাটত স্থাপন কৰা ধান ক্ৰয় কেন্দ্ৰটো পৰিদৰ্শন কৰি খেতিয়কৰ পৰা ধান ক্ৰয় কৰাৰ প্ৰস্তুতিৰ বিষয়ে বিস্তৃতভাৱে আলোচনা কৰে।

oooooo

আকাশবাণী গুৱাহাটীৰ আজি নিশা ৮ বাজি ২ মিনিটত প্ৰচাৰ হ'বলগীয়া দৃষ্টিপাত অনুষ্ঠানত ২০৪৭ৰ উন্নত ভাৰতৰ লক্ষ্যৰে **ভি বি জি ৰাম জি** বিষয়ত এটা আলোচনা প্ৰচাৰ কৰা হ'ব। অনুষ্ঠানত ভাগ ল'ব পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ সহকাৰী উন্নয়ন আয়ুক্ত বিবেকানন্দ সোণোৱাল আৰু বিজেপিৰ মুখপাত্ৰ ড° দেৱজিৎ মহন্তই। অনুষ্ঠানটিৰ আঁত ধৰিব অৰূপ কুমাৰ শৰ্মাই। শ্ৰোতাসকলে অনুষ্ঠানটি চলি থকা সময়ত ০৩৬১-২৬৬১৮৭৬ আৰু ৯৪৩৫৪-০৫২২২ -এই দুটি নম্বৰলৈ ফোন কৰি অনুষ্ঠানটিত অংশ ল'ব পাৰিব।

oooooo

সাংবাদিক কমলা শইকীয়াৰ ৩৫ সংখ্যক মৃত্যুবাৰ্ষিকী উপলক্ষে কাইলৈ বিয়লি গুৱাহাটীৰ উজান বজাৰৰ বিবেকানন্দ কেন্দ্ৰৰ প্ৰেক্ষাগৃহত এটি স্মাৰক বক্তৃতানুষ্ঠান আৰু ৰাষ্ট্ৰীয় বঁটা প্ৰদান অনুষ্ঠানৰ আয়োজন কৰা হৈছে। সাংবাদিক কমলা শইকীয়া স্মাৰক ন্যাসৰ উদ্যোগত আৰু গুৱাহাটী প্ৰেছক্লাবৰ সহযোগত আয়োজিত অনুষ্ঠানত ৰয়েল গ্ল'বেল বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° অলক কুমাৰ বুঢ়াগোহাঁইয়ে বক্তৃতা প্ৰদান কৰিব। এই অনুষ্ঠানতে অৰুণাচল প্ৰদেশৰ প্ৰবীণ সাংবাদিক, সাহিত্য একাডেমী বঁটা বিজয়ী সাহিত্যিক পদ্মশ্ৰী সন্মানেৰে সন্মানিত মামাং দাইক ২০২৬ বৰ্ষৰ সাংবাদিক কমলা শইকীয়া ৰাষ্ট্ৰীয় বঁটা প্ৰদান কৰা হ'ব।

oooooo

ভাৰতৰ অস্মিতা চলিহা দক্ষিণ কোৰিয়াৰ আছানত অনুষ্ঠিত কোৰিয়া মাষ্টাৰ্ছ ছুপাৰ থ্ৰি হাণ্ড্ৰেদ প্ৰতিযোগিতাত মহিলাৰ ছিংগলছৰ ফাইনেলত প্ৰৱেশ কৰিছে। অস্মিতাই আজি ছেমি ফাইনেলত ভাৰতৰে ৰক্ষিতা ৰামৰাজক ২১-১৩, ১৬-২১, ২১-১৩ গেমত পৰাস্ত কৰে। অস্মিতা কাইলৈ ফাইনেলত চীনৰ কিউ হানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। হানে ছেমি ফাইনেলত দক্ষিণ কোৰিয়াৰ জি কীমক ২২-২০, ১৮-২১, ২১-১৪ গেমত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰে।

oooooo

সমাপ্ত